অধ্যায় ৯ ঃ অসমৰ নৱবৈষ্ণৱ ধর্ম আৰু সত্রীয়া সংস্কৃতি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সর্বভাৰতীয় ভক্তি আন্দোলন

৯.৪ অসমৰ নৱবৈষ্ণৱ ধর্ম

৯.৪.১ নৱবৈষ্ণৱ ধর্মৰ পটভূমি

৯.৪.২ নৱবৈষ্ণৱ ধর্মৰ বৈশিষ্ট্যসমূহ

৯.৪.৩ নৱবৈষ্ণৱ ধর্মৰ সীমাবদ্ধতা

৯.৪.৪ নৱবৈষ্ণৱ ধর্মৰ আদর্শৰ দ্বাৰা প্রভাৱিত সাহিত্য কর্মৰ চমু পৰিচয়

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সর্বভাৰতীয় ভক্তি আন্দোলনৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমৰ নৱবৈষ্ণৱ ধর্ম সম্পর্কে জানিব পাৰিব
- নৱবৈষ্ণৱ ধর্মৰ পটভূমিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- নৱবৈষ্ণৱ ধর্মৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- নৱবৈষ্ণৱ ধর্মৰ সীমাবদ্ধতা সম্পর্কে ধাৰণা লাভ কৰিব
- নৱবৈষ্ণৱ ধর্মৰ আদর্শৰ দ্বাৰা প্রভাৱিত সাহিত্য কর্মৰ চমু পৰিচয় লাভ কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ পূর্বৱর্তী অধ্যায় কেইটিত আপুনি সংস্কৃতিৰ স্বৰূপ বিচাৰ, লোকসংস্কৃতিৰ সাধাৰণ আভাস, শ্রেণী বিভাজন, বৰ অসমঃ সমন্বয় আৰু সমাহৰণ ইত্যাদিৰ লগতে অসমৰ প্রাচীন ধর্মীয় পৰম্পৰা সম্পর্কে অধ্যয়ন কৰিলে। পাঠ্যবিষয়ৰ অন্তর্গত এইটি একাদশ অধ্যায়। এই অধ্যায়টিত অসমৰ নৱবৈষ্ণৱ ধর্মৰ আতি-গুৰি আৰু সাহিত্য সম্পর্কে অধ্যয়ন কৰিব। অধ্যায়টিত সর্বভাৰতীয় ভক্তি আন্দোলনে সমগ্র ভাৰতৰ লগতে অসমক কি দৰে প্রভাৱিত কৰিছিল সেই সম্পর্কে পঢ়িবলৈ পাব। মহাপুৰুষ শঙ্কৰদেৱে অসমত কেনেদৰে নৱবৈষ্ণৱ ধর্মৰ পাতনি মেলিছিল তাৰ পটভূমি,

বৈশিষ্ট্য, সীমাবদ্ধতা, আদৰ্শৰ লগতে সেই সময়ৰ নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত সাহিত্যসমূহে মানুহৰ মাজত কেনে ধৰণৰ আলোড়নৰ সৃষ্টি কৰিছিল, কেনে ধৰণৰ পৰিৱৰ্তন সাধন কৰিছিল সেই সম্পৰ্কে জানিব পাৰিব। প্ৰাচীন অসমৰ ধৰ্মীয় জীৱন ধাৰাত নৱবৈষ্ণৱ ধৰ্মই এক নৱ অভ্যুত্থানৰ সূচনা কৰিছিল। পঞ্চদশ শতিকাৰ পূৰ্বৰ সমাজখনক ধৰ্মীয় জীৱনধাৰাৰ তান্ত্ৰিকতা, অস্পৃশ্যতা, অন্ধবিশ্বাস, কু-সংস্কাৰ, বলিবিধান, নৰবলিৰ দৰে ব্যভিচাৰ, জাতিভেদ প্ৰথাৰ সঙ্কীৰ্ণ মানসিকতাই গ্ৰাস কৰিছিল। সমাজখনলৈ তথা জনজীৱনলৈ শঙ্কৰদেৱে একশৰণ নৱবৈষ্ণৱ ধৰ্মৰ যোগেদি শান্তিৰ প্লাৱন নমাই আনিছিল। উদাৰতা, মহানুভৱতা, শান্তি-সম্প্ৰীতি, ঐক্য প্ৰভাব আনি জনজীৱনক এই ধৰ্মই সমতা প্ৰদান কৰাৰ চিন্তাই ধৰ্মীয় গোড়ামী, ক্ৰিয়াকাণ্ডৰ লগত থকা কু-সংস্কাৰ, পূজা-পাতল, বিধি-বিধান আদিক মষিমূৰ কৰি আধ্যাত্মিক চৈতন্য শক্তিৰে পোহৰাই তুলিছিল। ধৰ্মীয় জীৱনক সুপৰিশীলিত ৰূপ দি নিটোল সমাজ জীৱন গঢ়িবলৈ বৰ্ণাঢ্য সংস্কৃতি আৰু অপূৰ্ব সাহিত্যিক বৰভেঁটি নিৰ্মাণ কৰিছিল। নৰবলিৰ দৰে কাৰ্যই ধৰ্মৰ নামত আতঙ্কৰ সৃষ্টি কৰিছিল। সেই সময়তে ভাৰতীয় ভক্তি আন্দোলনৰ চিন্তাধাৰাৰে উদ্বুদ্ধ হৈ অসমত আৰম্ভ হোৱা নৱবৈষ্ণৱ ধৰ্মই প্ৰচাৰ কৰিছিল স্বচ্ছ ধৰ্মীয় জীৱনবোধৰ ধাৰণা।



জানি থোৱা ভাল

মানৱতাবাদ, সমাজ-সংস্কাৰক দৃষ্টিভঙ্গী আৰু সাংগঠনিক ভূমিকাই শঙ্কৰদেৱ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মক এক নতুন গতি দান কৰিছিল।

৯.৩ সৰ্বভাৰতীয় ভক্তি আন্দোলন

- **ভক্তি আন্দোলন ঃ** ভক্তি সম্পূৰ্ণৰূপে অনুভৱৰ স্তৰ। ভক্তি শব্দটো ভজ্ ধাতুৰ লগত সম্পৰ্কিত। ভক্তিৰ অৰ্থ হৈছে যাৰ দ্বাৰা জীৱৰ অনুকূলে কৰ্ম কৰিব পৰা যায়। এই অনুকূলতা অনেক অৰ্থত হ'ব পাৰে। বিষয় ভেদেও ভক্তি ভিন্ন। সাধাৰণতে পূজনীয় জনৰ প্ৰতি হৃদয়ত উদ্ভৱ হোৱা অনুৰাগেই ভক্তি। ভক্তি মন আৰু আত্মাৰ বস্তু। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে— ঈশ্বৰৰ প্ৰতি একান্ত অনুৰাগ, প্ৰগাঢ় প্ৰেমেই ভক্তি। ভক্তি মধুৰতকৈ সমুধুৰ। ভক্তি শব্দৰ অৰ্থ 'সেৱা' বুলি ধৰা হয়। নাৰদীয় ভক্তিসূত্ৰ গ্ৰন্থত ভক্তিৰ সংজ্ঞা এনেদৰে পোৱা যায়— 'সা তস্মিন পৰম প্ৰেমৰূপা' অৰ্থাৎ ঈশ্বৰৰ প্ৰতি পৰম প্ৰেমেই ভক্তি। শাণ্ডিল্যৰ মতে— ভক্তি হ'ল 'সা পৰানুৰক্তিৰীশ্বৰে' অৰ্থাৎ ঈশ্বৰৰ প্ৰতি অনুৰক্তিয়েই হ'ল ভক্তি। আত্মানুসন্ধানেই ভক্তিৰ স্বৰূপ। সকলো ৰতি পৰমাত্মাৰ প্ৰতি হোৱা বিষয়টোকে ভাগৱতে ভক্তি বুলি সমাধান দিছে। ভক্তিৰ লক্ষণ সম্পৰ্কে বেজবৰুৱাই কৈছে— বেদব্যাসৰ মতে ঈশ্বৰৰ পূজাদিৰ অনুৰূপেই হ'ল ভক্তিৰ লক্ষণ। শাণ্ডিল্যৰ মতে— এক মাথোন আত্মচৈতন্যত আন সকলোবোৰ জলাঞ্জলি দি পূৰ্ণানন্দত নিমগ্ন থকাই ভক্তি। মুঠতে ভক্তিৰ লক্ষণ ন বিধ। ভক্তিৰ জন্মস্থান ভক্তৰ হৃদয়। ভাগৱত ভক্তি

কোনে কেতিয়া উদ্ভৱ কৰিলে সঠিককৈ কোৱা টান। কিন্তু এইকথা প্ৰায় সৰ্বজনবিদিত যে ভক্তি আন্দোলন প্ৰথমে দাক্ষিণাত্যৰ দ্ৰাবিড়ভূমিত গঢ় লৈ উঠিছিল আৰু সন্ত ৰামানন্দই (খ্ৰীঃ ১২৯৯-১৪১০) উত্তৰ ভাৰতলৈ আনে আৰু তেওঁৰ শিষ্য কবীৰে তাক দশোদিশে বিয়পাই দিয়ে—

ভক্তি দ্রাবিড় উপজী
লায়া ৰামানন্দ
কবীৰ নো প্রকট কিয়া
সপ্তদীপ নৌখাণ্ড।

পণ্ডিত, দাৰ্শনিক সৰ্বপল্লী ৰাধাকৃষ্ণণে ব্ৰহ্মসূত্ৰ ভূমিকাত উল্লেখ কৰিছে যে মধ্যযুগৰ ভক্তি আন্দোলনটো ৰামানুজৰ পৰাই আৰম্ভ হৈছে। ৰামানন্দ, নানক আৰু তুলসী দাসক তেওঁ প্ৰভূতৰূপে প্ৰভাৱান্বিত কৰে। মানুহৰ প্ৰকাৰভেদে ভক্তিৰ প্ৰকাৰ ভিন্ন ধৰণৰ। ভক্তিক দুটা ভাগত ভাগ কৰা হয়— গৌণীভক্তি আৰু পৰাভক্তি।

- ভাৰতীয় পটভূমি বিচাৰ কৰিলে পোৱা যায় যে ঐতিহাসিক কালৰে পৰা ভাৰততে প্ৰচলিত ধৰ্মধাৰা আছিল শৈৱ, শাক্ত আৰু বৈষ্ণৱ। মৌৰ্য্য বংশই ৰাজত্ব কৰি থকা কালত (৩২৭ খ্ৰীঃপূঃৰ পৰা ২৩৬ খ্ৰীঃপূঃলৈ) চন্দ্ৰগুপ্ত মৌৰ্য্য, জৈন আৰু সম্ৰাট অশোকে বৌদ্ধধৰ্মক ৰাজ পৃষ্ঠপোষকতা প্ৰদান কৰে। জৈন আৰু বৌদ্ধধৰ্মই সম্পূৰ্ণৰূপে অহিংসাৰ ওপৰত আপোন আধাৰ প্ৰতিষ্ঠা কৰি লৈছিল আৰু যুদ্ধ আৰু যজ্ঞ বলিদানৰ বিৰোধিতা কৰিছিল। ভাৰতত বৌদ্ধ আৰু জৈনধৰ্মৰ এনে বৈশিষ্ট্যই যজ্ঞ আৰু বলিদানৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰা সম্প্ৰদায়ৰ অশেষ ক্ষতিসাধন কৰিছিল, ই ধুৰূপ। অশোকে বুদ্ধৰ বাণীকেই প্ৰচাৰ কৰিছিল। ভাৰতবৰ্ষত ব্ৰাহ্মণ্যবাদৰ একছত্ৰী পৃষ্ঠপোষকতাৰ ফলত এনে আদৰ্শপূৰ্ণ বৌদ্ধধৰ্ম প্ৰচাৰত অশোক মগ্ন হৈছিল। ব্ৰাহ্মণ্যবাদৰ কুৎচিৎ বৰ্ণ বৈষম্য, উচ্চ-নীচৰ ভেদাভেদ আদি সকলো লোপ কৰি মানুহক সত্য, সমতা, অহিংসা আদৰ্শৰে অনুপ্ৰাণিত কৰাই আছিল গৌতম বুদ্ধৰ লক্ষ্য। ব্ৰাহ্মণ্যবাদী সমাজত বৰ কষ্টেৰে অশোকে বৌদ্ধধৰ্ম প্ৰচাৰ কৰিছিল। কিন্তু অশোকৰ মৃত্যুৰ পিছত ব্ৰাহ্মণ্যবাদী দাৰ্শনিকসকলে বৌদ্ধধৰ্মক নিঃশেষ কৰাৰ অভিযান চলাইছিল আৰু কালক্ৰমত সফলো হৈছিল। ব্ৰাহ্মণ্যবাদৰ হেঁচাত জাত-পাত, বৰ্ণ-বৈষম্য বৃদ্ধি পাইছিল। ফলস্বৰূপে ভাৰতবৰ্ষত ব্ৰাহ্মণ, ব্ৰহ্মসংহিতা, মনুসংহিতা আদিয়ে প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে। ভাৰতীয় ধৰ্মীয় পৰিৱৰ্তনে সমাজ সংস্কৃতিৰো পৰিৱৰ্তন সাধন কৰিবলৈ ধৰিলে। কিন্তু কৃষিজীৱী আদিবাসীসকলে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। কৃষিজীৱীসকলৰ গৰু হ'ল প্ৰধান জন্তু। আনহাতে কৃষ্ণ গৰখীয়াসকলৰ দেৱতা বা কৃষ্ণ সংস্কৃতি ক'লা ছালৰ মানুহৰ সংস্কৃতি। পৰৱৰ্তীকালত কৃষ্ণই হ'ল বিষ্ণু। সেই কাৰণেই সমাজ বিজ্ঞানীসকলে অনুমান কৰিছে যে বিষ্ণু দ্ৰাবিড়সকলৰ দেৱতা। ব্ৰাহ্মণ্য ধৰ্মৰ কঠোৰতা আৰু বৌদ্ধ, জৈন আদিৰ মাজৰ পৰা যুগৰ আৱশ্যকতা পুৰণাৰ্থে বৈষ্ণৱ ভক্ত কবি আলৱাৰ আৰু শৈৱভক্ত কবি

নায়নমাৰসকলৰ আবিৰ্ভাৱ হ'ল। আলৱাৰসকলৰ বহুত ভক্ত নীচ জাতৰ আছিল, আনকি মহিলাও আছিল। তেওঁলোকে প্ৰথমে তামিল ভাষাত বিষ্ণুধৰ্ম সম্পৰ্কীয় বহুত হেজাৰ গীত লিখে। সংস্কৃতৰ বিপৰীতে থলুৱা ভাষাৰ এই গীতসমূহ সৰ্বসাধাৰণৰ জনপ্ৰিয় হৈ পৰে। ভক্তি উচ্ছাস সম্বলিত এই গীতবোৰ তামিলসকলৰ বেদস্বৰূপ। কৃষ্ণ, বিষ্ণু, বলৰাম, ত্ৰিবিক্ৰম, বামনৰ প্ৰতি অপৰিসীম ভক্তি আলৱাৰসকলৰ মুখ্য আদৰ্শ আছিল। আলবাৰ-সকলে *ভাগৱত পুৰাণ*খনকে মুখ্য গ্ৰন্থ হিচাপে লৈছিল। বৈষ্ণৱ মতত ভক্তিৰ যি প্ৰাধান্য সেয়া দ্ৰাবিড়ীসকলৰ দান। ভাৰতীয় ভক্তি আন্দোলন ভাৰতবৰ্ষৰ সামাজিক-ধৰ্মীয়-সাংস্কৃতিক জীৱনৰ সুদীৰ্ঘ বিৱৰ্তনৰ ফলত জন্ম লোৱা ইতিহাস। এই ইতিহাসত বাৰ জন আলৱাৰেই প্ৰধান।



জানি থোৱা ভাল

আলৱাৰ শব্দটোৱে বাৰ জন বৈষ্ণৱক বুজায়। ইয়াৰ অৰ্থ হ'ল মগ্ন হোৱা, জ্ঞান সমুদ্ৰত বুৰ যোৱা। আন এটা অৰ্থ হৈছে শাসনকৰ্তা। মহেশ্বৰ নেওগৰ মতে— ঈশ্বৰৰ প্ৰতি ভক্তি বা গভীৰ অনুৰাগত যিসকল আত্মহাৰা হয় তাকে আলৱাৰ বুলি কোৱা হয়। বাৰজন আলবাৰ হ'ল— ভূতত্তালৱাৰ, পেয়ালৱাৰ, তিৰুমলিসঈ, নাম্মালৱাৰ, মধুৰকবি, কুলশেখৰ, পেৰিয়ালৱাৰ, আণ্ডাল, তোণ্ডৰডী, পোড়ী আলৱাৰ, তিৰুপ্পান আলৱাৰ, তিৰুমঙ্গৈ আলৱাৰ।

ভাৰতবৰ্ষৰ বৈষ্ণৱ পৰম্পৰাত বিভিন্ন দাৰ্শনিকৰ বিভিন্ন মতবাদ থাকিলেও উমৈহতীয়া বিশেষত্ব নথকা নহয়। সেই উমৈহতীয়া বৈশিষ্ট্যবোৰত ফুটি উঠিছে আত্মা-পৰমাত্মাৰ কথা— জীৱৰ বিভিন্নতা থাকিলেও পৰমাত্মাৰ অংশ ৰূপে সকলো জীৱৰ প্ৰতি সমান ভাব, ত্ৰিজগতৰ কথা, বিশ্বব্ৰহ্মাণ্ড বা অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ গৰাকী এক পৰম শক্তিৰ ওপৰত আস্থা আৰু বিশ্বাস, ভক্তিৰ শ্ৰেষ্ঠত্ব, মুক্তিতকৈ মোক্ষ প্ৰাপ্তিৰ আশঙ্কা, ধৰ্মৰ সুগমপথ ভক্তি, জ্ঞান কৰ্মতকৈ ভক্তিৰ স্থান উচ্চ, গুৰুৰ উল্লেখ, নববিধ ভক্তিৰ শ্ৰৱণ-কীৰ্তনত প্ৰাধান্য, মানৱীয়তা, সংসাৰৰ প্ৰতি উদাসীনতা, শৰণ-ভজন দীক্ষাক মূল হিচাপে লোৱা, বেদৰ মূল একেশ্বৰবাদক মানৱমুখী কৰি তোলা আৰু বিশেষত্বপূৰ্ণ দিশটো হ'ল অনুবাদ পৰম্পৰা অৰ্থাৎ নিজ নিজ প্ৰান্তীয় ভাষাত আধ্যাত্মিক কথাসমূহ অনুবাদ কৰা ইত্যাদি।

৯.৪ অসমৰ নৱবৈষ্ণৱ ধৰ্ম

দক্ষিণ ভাৰতত গঢ়ি উঠা ভক্তি আন্দোলন শঙ্কৰদেৱৰ জৰিয়তে অসমত বিয়পি পৰে। সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত শঙ্কৰদেৱে অসমত এক নতুন দৃষ্টিৰে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। ভাৰতৰ দৰে অসমৰ সমাজ জীৱন, সংস্কৃতি আৰু ৰাজনৈতিক জীৱনৰ এক উশৃঙ্খল পৰিৱেশত তেওঁ তীৰ্থভ্ৰমণ কৰি যি জ্ঞান অৰ্জন কৰিছিল আৰু ভাৰতীয় ভক্তি আন্দোলনৰ ঐতিহ্যই

তেওঁৰ জ্ঞান প্ৰজ্ঞালৈ যি জোৱাৰ আনিছিল, সেই ফলশ্ৰুতিতে 'নৱবৈষ্ণৱ জাগৰণ' আৰম্ভ হৈছিল। দ্বিতীয়তে, অধ্যয়ন পিপাসু সংস্কৃত পণ্ডিত শঙ্কৰদেৱে সংস্কৃত গ্ৰন্থ অধ্যয়ন কৰি ভালেমান সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰি জনসাধাৰণক সেই অমূল্য জ্ঞানভাণ্ডাৰৰ সোৱাদ ল'বলৈ সুযোগ দিছিল। ভাগৱত আৰু পু�ৰাণ প্ৰসিদ্ধ ভগৱান বিষ্ণু আৰু বিষ্ণুৰ পূৰ্ণাৱতাৰ শ্ৰীকৃষ্ণৰ লীলা-মালা সন্নিৱিষ্ট এই ৰচনাৰ অনুবাদ আৰু ভাবানুবাদে সাধাৰণ অসমীয়া ৰাইজৰ মনত জটিল যাগ-যজ্ঞৰ বিকল্প হিচাপে পৰমপুৰুষ বিষ্ণু বা শ্ৰীকৃষ্ণৰ লীলা-মালাৰ শ্ৰৱণ-কীৰ্তনৰ মাজেদিও যেন বিমল প্ৰশান্তি লাভ কৰিব পাৰে, সেই পথৰ সন্ধান দিলে। বিশেষত্বপূৰ্ণ এয়ে যে তেওঁ ধৰ্ম প্ৰচাৰৰ মাধ্যম ৰূপে গ্ৰহণ কৰিছিল সাহিত্য, সঙ্গীত, শিল্পনাট আৰু ভাওনা। সাহিত্য সৃষ্টি কৰি, সঙ্গীত ৰচনা কৰি, সুৰ-তাল-লয় নিহিত কৰি পৰম্পৰাগত শিল্পসমূহক গুৰুত্ব দি নাট ভাওনাৰে তেওঁ অসমীয়া সাহিত্য সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰাৰ লগতে অসমীয়া ৰাইজক ভক্তিধৰ্মৰ লগত পৰিচয় কৰাই দিছিল। বৈষ্ণৱ ধৰ্মৰ চাৰিখুটি *হৰিশ্চন্দ্ৰ উপাখ্যান* তীৰ্থভ্ৰমণলৈ যোৱাৰ আগতে ৰচনা কৰিছিল। মুঠতে ভাৰতীয় ভক্তি আন্দোলনৰ প্ৰভাৱমুক্ত হৰিশ্চন্দ্ৰ উপাখ্যানত ভক্তিৰ যি বীজ নিহিত হৈছিল সেয়া সম্পূৰ্ণ ৰূপে অসমৰ প্ৰাক্-বৈষ্ণৱ কাব্যৰ প্ৰেৰণা আৰু শঙ্কৰদেৱৰ মৌলিক চিন্তাৰ ফচল।

ভক্তিধৰ্মৰ উদ্ভৱ আৰু বিকাশত সামাজিক কাৰণৰ সমান্তৰাল গতিত অৰ্থনৈতিক অৱস্থায়ো গুৰুত্ব লাভ কৰিছিল। উচ্চবৰ্ণৰ হিন্দুসকল অৰ্থনৈতিক দিশত বৰ পিছপৰা নাছিল, কিন্তু নিম্নবৰ্ণৰ হিন্দুসকল প্ৰায়ে অৰ্থনৈতিক দিশত দুৰ্বল আছিল। গতিকে বাহ্যিক আড়ম্বৰপূৰ্ণ আৰু ব্যয় বহুল যাগ্-যজ্ঞ আৰু পূজা উপাসনাৰ বাবে প্ৰয়োজনীয় অৰ্থ তেওঁলোকে সংগ্ৰহ কৰিবলৈ অক্ষম। ইয়াৰ প্ৰত্যাহ্বান স্বৰূপেই অনাড়ম্বৰ আৰু ব্যয়বিহীন ভক্তিধৰ্মৰ উদ্ভৱ হৈছিল। জনসাধাৰণে আন্তৰিকতাৰে সৈতে এই ধৰ্ম গ্ৰহণ কৰিছিল। শঙ্কৰাচাৰ্যই *ভক্তি বিবেক চূড়ামনি* নামৰ *ভক্তিতত্ত্ব* বিষয়ক গ্ৰন্থ লিখিলেও আৰু বৌদ্ধধৰ্মৰ প্ৰভাৱ বিদুৰণ কৰিবৰ বাবে জ্ঞান সম্বলিত *ভক্তিতত্ত্ব* প্ৰচাৰ কৰিলেও তেওঁৰ এই ভক্তিতত্ত্বত আবেগপ্ৰৱণতাই সৰ্বাধিক গুৰুত্ব লাভ কৰিব পৰা নাছিল। গতিকে জনগণৰ মন শঙ্কৰাচাৰ্যৰ জ্ঞানমাৰ্গী ভক্তিবাদৰ দ্বাৰা বিশেষভাৱে আকৃষ্ট হোৱা নাছিল।

এই ক্ষেত্ৰত দক্ষিণ ভাৰতৰ ৰামানুজাচাৰ্যৰ অৱদান বিশেষ তাৎপৰ্যপূৰ্ণ। প্ৰকৃতাৰ্থত ৰামানুজাচাৰ্যই জনগণৰ মন উপযোগী ভক্তিধৰ্ম প্ৰচাৰ কৰে। বৈদিক যাগ-যজ্ঞ, পূজা-অৰ্চনা আদিত প্ৰয়োগ কৰা মন্ত্ৰাদি সৰ্বসাধাৰণে বুজি নাপায় আৰু মন্ত্ৰ উচ্চাৰণ বা আবৃত্তিতো তেওঁলোকে ভাগ লোৱাৰ সুবিধা নাই। ইয়াৰ বিপৰীতে সন্তসকলে নাম-কীৰ্তন প্ৰৱৰ্তন কৰি জনসাধাৰণকো নাম-কীৰ্তনত ভাগ লোৱাৰ ব্যৱস্থা কৰি দি ভক্তি ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিলে।

শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থভ্ৰমণ কৰিবলৈ শ্ৰীক্ষেত্ৰলৈ যায় আৰু তাতেই নৱবৈষ্ণৱ অৰ্থাৎ ভক্তি আন্দোলনৰ সম্যক ধাৰণা লাভ কৰিছিল। তীৰ্থৰ পৰা ঘুৰি আহি নামঘৰ, দেৱগৃহ, সত্ৰ আদি স্থাপন কৰি নিৰহ নিপানীকৈ তেওঁ ভক্তিধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে। অৱশ্যে চৰিত পুথিসমূহৰ মতে শঙ্কৰদেৱে তীৰ্থভ্ৰমণ কৰিবলৈ যোৱাৰ পূৰ্বেই ভক্তি তত্ত্বৰ বীজ সিঁচিছিল। আলিপুখুৰীৰ পৰা বটদ্ৰবা অৰ্থাৎ টেম্বুৰনীলৈ আহি শাস্ত্ৰ আলোচনাত নিমজ্জিত হয়। সকলো সময়তে হৰিনাম কীৰ্তন আৰু ভগৱান কৃষ্ণৰ চৰিত্ৰ আলোচনা ৰত হৈ থাকিবলৈ লয়। তেওঁৰ সঙ্গী— ৰামৰাম,

নৰোত্তম, চতুৰ্ভূজ, সৰ্বজয়, পৰমানন্দ, লখিৰাম, শ্ৰীৰাম, বুঢ়াদৈবজ্ঞ, জগতানন্দ, বলোৰাম, বলোভদ্ৰ, নাৰায়ণ, সাতকুৰিয়া, গোবিন্দ আৰু হৰিৰ সৈতে আলোচনা কৰি আলিপুখুৰী গাঁৱৰ পৰা নিলগত থকা কুসুম্বৰৰ সৰিয়হতলীতে হৰিনাম গোৱাৰ বাবে এডোখৰ ঠাই নিৰ্বাচন কৰি চাৰিহাটীসহ দেৱগৃহ সাজিবলৈ লয়। টেম্বুৰনীত স্থাপন কৰা কীৰ্ত্তন ঘৰত ভাগৱতশাস্ত্ৰ আলোচনা কৰাৰ লগতে শাস্ত্ৰখন অনুবাদ কৰা কাৰ্যও আৰম্ভ কৰিছিল। কীৰ্ত্তন ঘৰৰ লগতে ভক্ত তথা অনুগামীসকলে থাকিবলৈ হাটীও নিৰ্মাণ কৰিছিল। তেওঁ প্ৰতিষ্ঠা কৰা প্ৰতিষ্ঠানবোৰ থান নামে জনাজাত। থানবোৰত কীৰ্ত্তন ঘৰ, মণিকূট, গুৰুগৃহ, আতাৰগৃহ, ৰাঙ্গলীঘৰ, চাৰিহাটী ইত্যাদি আছিল। কীৰ্ত্তন ঘৰত নাম-কীৰ্তন আৰু ঈশ্বৰসম্পৰ্কীয় আলোচনা অনুষ্ঠিত হয়। পৰৱৰ্তীকালত ই নামঘৰনামে বিখ্যাত হয়। শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোঁতে কীৰ্ত্তনঘৰৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। তেওঁ প্ৰচাৰ কৰা নৱবৈষ্ণৱ জাগৰণটোক একশৰণ নৱবৈষ্ণৱ জাগৰণ বা ধৰ্ম, মহাপুৰুষীয়া নামধৰ্ম, ভাগৱতী ধৰ্ম, একশৰণ হৰিনাম ধৰ্ম নামে জনাজাত। এই নৱবৈষ্ণৱ জাগৰণে অসমত জনসাধাৰণক লোক-শিক্ষা আৰু আনফালে আধ্যাত্মিক চেতনা সম্বলিত যুক্তিপূৰ্ণ যুগধৰ্ম প্ৰদান কৰিএকশৰণৰ উদ্দেশ্য সাধন কৰিবলৈ সক্ষম হৈছে। মহাপুৰুষ শঙ্কৰদেৱে এই ধৰ্ম প্ৰচাৰ কৰে বাবে ইয়াক মহাপুৰুষীয়া ধৰ্ম বোলা হয়। বহুতে ইয়াক মহাপুৰুষীয়া পন্থী বা মহাপুৰুষীয়া সম্প্ৰদায় বোলাও দেখা যায়।

৯.৪.১ নৱবৈষ্ণৱ ধৰ্মৰ পটভূমি

শঙ্কৰদেৱক কেন্দ্ৰ কৰি অসম, কামৰূপ আৰু কমতাপুৰত নৱবৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হয়। ভাৰতবৰ্ষৰ আন অঞ্চলৰ দৰে অসমতো ভক্তিয়ে নৱবৈষ্ণৱ জাগৰণৰ ক্ষেত্ৰত প্ৰধান চালিকা শক্তি স্বৰূপে সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্লাৱিত বৈষ্ণৱ জাগৰণৰ প্ৰবাহ-প্ৰক্ৰিয়াৰ পৰা অসমৰ নৱবৈষ্ণৱ জাগৰণক পৃথক কৰিব নোৱাৰি। সাহিত্য সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই ভক্তি আন্দোলনৰ বিকাশ আৰু প্ৰসাৰতাৰ দুটা কাৰণ দেখুৱাইছে যে ব্যয়বহুল ৰাজকীয় আৰু বাহুল্য নীতি নিয়মৰ পৰিৱৰ্তে সহজ সৰল উপাসনা পদ্ধতি, ব্যক্তিত্ব সম্পন্ন চৰিত্ৰবান সন্তসকলৰ মহত্বপূৰ্ণ প্ৰচাৰ কাৰ্য, ৰাজকীয় পৃষ্ঠপোষকতা লাভ— কোচৰজা নৰনাৰায়ণ আৰু লক্ষীনাৰায়ণ আদি, কথিত ভাষাৰে সংস্কৃত গ্ৰন্থৰ কাহিনী আখ্যান উপাখ্যানৰ মাজেৰে ভক্তিৰ শ্ৰেষ্ঠত্বৰ কথা প্ৰচাৰ আৰু ভক্তিধৰ্ম বিৰোধীৰ লগত যুক্তিপূৰ্ণ বাকবিতণ্ডা, সাহিত্য, নাটক, গীত-ভাওনা পৰিৱেশন কৰা আৰু ঠায়ে ঠায়ে সত্ৰ আৰু সত্ৰৰ গাঁৰে গাঁৰে নামঘৰ প্ৰতিষ্ঠাৰ জৰিয়তে ধৰ্ম প্ৰচাৰ কৰা— এই আটাইকেইটা বৈশিষ্ট্য আৰু কাৰণৰ মাজেৰে শঙ্কৰদেৱৰ প্ৰচাৰিত নৱবৈষ্ণৱ জাগৰণে অসমত আজিও প্ৰসাৰ লাভ কৰি আছে। বৈষ্ণৱ ধৰ্মৰ নৱবিকশিত ৰূপত এনে কিছুমান লক্ষণ আৰু বৈশিষ্ট্য প্ৰকাশ পাইছিল যি পুৰণি ধৰ্মটিৰ পৰা বিচ্ছিন্ন এটি বস্তু যেন লগা হ'ল। ইয়াৰ ভিতৰত গোপাল গোবিন্দ যদু নন্দন শ্ৰীকৃষ্ণ চৰিত্ৰৰ প্ৰাধান্য আৰু বিষ্ণু ভগৱান স্বয়ং হ'লেও শ্ৰীকৃষ্ণৰ প্ৰতি বৈষ্ণৱসকলৰ একান্ত

আনুগত্যই একত্ব লাভ কৰিছে। সেয়ে আলোচক বাণীকান্ত কাকতিৰ মতে ভাৰতৰ বিভিন্ন ধৰ্ম প্ৰতিষ্ঠাতাসকলৰ ভিতৰত আনকি সমসাময়িক ধৰ্মগুৰুসকলৰ ভিতৰতো কেৱল শঙ্কৰদেৱেহে অতি সন্মানিত মহাপুৰুষ আখ্যাটো পাব পাৰিছে। সেয়েহে শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মটোৰ জনপ্ৰিয় নাম হ'ল মহাপুৰুষীয়া ধৰ্ম।

শঙ্কৰদেৱে বিশ্বাস আৰু ভক্তিৰ ওপৰত অধিক গুৰুত্ব দিছিল। সমাজৰ দুৰ্বল আৰু অনগ্ৰসৰ লোকৰ সামাজিক আৰু আধ্যাত্মিক উন্নতিয়েই আছিল শঙ্কৰদেৱৰ মূল লক্ষ্য। স্বৰূপাৰ্থত তেওঁৰ দ্বাৰা প্ৰচাৰিত ভক্তি ধৰ্মই জনসাধাৰণক এফালে দিছিল সংস্কৃতি আৰু আনফালে দিছিল আধ্যাত্মিক চেতনা। ধৰ্মীয় উপদেশতে আবদ্ধ নাথাকি সাহিত্য-সংস্কৃতিৰ মাজেৰে জনসাধাৰণক ভক্তিৰসত অৱগাহন কৰাইছিল। সেই কাৰণেই শঙ্কৰদেৱে পুথি-পাঁজি, চিত্ৰবিদ্যা, নাট-অভিনয়ৰ সহায় লৈছিল আৰু ভক্তিধৰ্মৰ স্থায়ীৰূপ পৰিগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। বাণীকান্ত কাকতিৰ মতে বুৰঞ্জীৰ এইটো নিৰ্ঘাত সত্য যে যেতিয়া কোনো ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মহাজাতীয় উদ্বোধনৰ কেন্দ্ৰস্থ শক্তি ৰূপে পৰিগৃহত হয়, তেতিয়া কাব্য, গীত, ভাওনা, চিত্ৰবিদ্যা, ভাস্কৰ্য্য, সুকুমাৰ শিল্পৰ সকলোবোৰ অঙ্গই সেই ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মাহাত্ম্য প্ৰকাশত নিয়োজিত হয়। এই কৃষ্ণ চৰিত্ৰকে অৱলম্বন কৰি ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত যিমান তৰহৰ সাহিত্য আছে বোধহয় পৃথিৱীৰ কোনো মহাপুৰুষক লৈ তেনে সাহিত্য সৃষ্টি হোৱা নাই। এই বিশাল বৈষ্ণৱ সাহিত্যৰ এক উদ্দেশ্য জনসমাজৰ আগত কৃষ্ণ চৰিত্ৰ সমুজ্বল কৰি ধৰা, কিয়নো ভাৰতীয় মহাজাতীয় বৈষ্ণৱ আন্দোলনত কৃষ্ণৰ শিকনিতকৈ তেওঁৰ চৰিত্ৰ বেছি ডাঙৰ উদ্বোধনী শক্তি আছিল। শঙ্কৰদেৱেও তেওঁৰ ৰচনাৰাজিত শ্ৰীকৃষ্ণৰ শিকনিতকৈও তেওঁৰ চৰিত্ৰৰ বিভিন্ন দিশ বিশেষকৈ আধ্যাত্মিক দিশত অধিক গুৰুত্ব দিছিল। দ্বিতীয়তে অসমৰ নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিতত্ত্ব বিষয়ক গ্ৰন্থ ৰচনাৰ প্ৰসঙ্গত অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি আৰু কালিকা ৰক্ষা কৰাত গুৰুত্ব দিছিল। শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ এক কলাত্মক অভিজ্ঞাপন— ধৰ্ম সাধনা আৰু কলা সাধনা উভয়ে আছিল শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তি ধৰ্মৰ চালিকা শক্তি। শঙ্কৰদেৱৰ পূৰ্বে যে পুৰণি অসমত বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তিত হৈ আছিল তাত সন্দেহ নাই, কিন্তু সেই বৈষ্ণৱ ধৰ্মই জনগণক স্পৰ্শ কৰিব পৰা নাছিল; কিন্তু শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মই ভক্তিৰ সহায়ত সৰ্বজনৰ মন প্ৰাণ হৃদয় স্পৰ্শ কৰিব পাৰিছিল। অসমত নৱবৈষ্ণৱ ধৰ্মৰ আন আন প্ৰচাৰকসকল হ'ল— মাধৱদেৱ, দামোদৰদেৱ, মথুৰা দাস বুঢ়া আতা, নাৰায়ণ দাস ঠাকুৰ আতা, বৰবিষ্ণু আতা, বদুলা পদ্ম আতা, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভূজ, কেশৱচৰণ, কনকলতা আই আদি। এই জাগৰণৰ জৰিয়তে উদ্ভৱ হোৱা কবি সাহিত্যিকসকল হ'ল— মাধৱদেৱ, ভট্টদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলি আদি।

কলিযুগত যুগধৰ্মৰ প্ৰভাৱত ভিন্ ভিন্ ধৰ্মক আচাৰিলেও "কীৰ্ত্তনে সবাৰো ফল পায়ে" —এইকথাৰে ভকতিৰ শ্ৰেষ্ঠত্বক প্ৰতিপন্ন কৰিবলৈ শঙ্কৰদেৱে *ভাগৱতৰ* ধৰ্মীয় দৰ্শনত অধিক গুৰুত্ব দিয়াটো পৰিলক্ষিত হৈছে। সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি

—এই চাৰিওটা যুগৰ ধৰ্মৰ স্থিতিৰ কথাৰ লগতে হৰিভক্তিৰ শ্ৰেষ্ঠত্বৰ কথাৰে অন্ত্যজ জাতিৰ ভক্তি সিদ্ধিৰ কথাও সুকীয়াকৈ ব্যাখ্যা কৰিছে। শঙ্কৰদেৱে নামধৰ্মত ভক্তিৰ মাহাত্ম্য ঘোষণা কৰা বাবে এই ধৰ্মক ভক্তিধৰ্ম বুলিও কোৱা হয়। ভক্তিয়ে নৱবৈষ্ণৱ ধৰ্মৰ মূল কথা। এই ভক্তি নৈতিক, আধ্যাত্মিক আৰু নান্দনিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। ভক্তিৰ লগতে তেওঁ আচাৰ ৰীতিকো জড়িত কৰিছে। দুস্কৃতিৰ ব্যধিয়ে সমাজ জীৱনক কলুষিত কৰিব নোৱাৰে —এই দৃষ্টি ৰাখি সচেতন মানৱ সম্পদ গঢ়া আৰু সুস্থ সমাজ গঢ় দিয়াই আছিল নৱবৈষ্ণৱ ধৰ্মৰ লক্ষ্য।

৯.৪.২ নৱবৈষ্ণৱ ধৰ্মৰ বৈশিষ্ট্যসমূহ

শঙ্কৰদেৱ আৰু তেওঁৰ সমসাময়িক শিষ্য প্ৰশিষ্যসকলৰ ৰচনাৰাজি আৰু কৰ্মসূচীৰ মাজত মানৱতাবাদী দৃষ্টিভঙ্গী পৰিলক্ষিত হয়। সেই সময়ৰ সনাতন হিন্দু ধৰ্ম ব্যৱস্থাই কঠোৰভাৱে লোকসমাজক হেঁচি ৰাখিছিল। কিন্তু নিৰক্ষৰ আৰু কৃষিজীৱী লোকসমাজত শাস্ত্ৰ অধ্যয়ন কঠোৰ কাম আছিল। তাৰোপৰি ব্ৰাহ্মণ্যবাদত শূদ্ৰই শাস্ত্ৰ অধ্যয়ন কৰাৰ পৰা আঁতৰত থাকিব লাগিছিল। এনে সমাজ ব্যৱস্থাত কঠোৰ দাৰ্শনিক তত্ত্ব লোকজীৱনত প্ৰৱেশ কৰাত বাধা আহি পৰে। এই সকলোবোৰ চিন্তা কৰিয়ে শঙ্কৰদেৱে সকলো স্তৰৰ লোকে পালন কৰিব পৰা সহজ-সৰল ধৰ্ম ব্যৱস্থা দাঙি ধৰিছিল। ইয়াৰ মূল দৰ্শন ভক্তি আৰু মানৱতাবাদ। একশৰণ নৱবৈষ্ণৱ ধৰ্মৰ বৈশিষ্ট্য এনে ধৰণৰ—

- শঙ্কৰদেৱৰ দ্বাৰাপ্ৰৱৰ্তিত ভক্তি ধৰ্ম আছিল কৃষ্ণ চৰিত্ৰ প্ৰধান।শঙ্কৰদেৱে হিন্দু ধৰ্মত স্থান লাভ কৰা আন আন দেৱ দেৱীক অস্বীকাৰ কৰা নাই, কিন্তু বিষ্ণুৰ পূৰ্ণ অৱতাৰ কৃষ্ণইহে পৰম পুৰুষ পৰমেশ্বৰ স্বৰূপে স্বীকৃতি লাভ কৰিছে। বিষ্ণুৰ দশ অৱতাৰৰ ভিতৰত শ্ৰীৰামে বিশেষ গুৰুত্ব লাভ কৰিছে। অসমৰ বৈষ্ণৱ সন্তসকলৰ দৃষ্টিত শ্ৰীকৃষ্ণ আৰু শ্ৰীৰামৰ মাজত কোনো পাৰ্থক্য নাই।
- শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ভক্তি মাৰ্গত ভক্তিক সৰ্বাধিক মঙ্গলকৰ স্বৰূপে গ্ৰহণ কৰা হৈছে। নৱবিধ ভক্তিৰ ভিতৰত শঙ্কৰদেৱে শ্ৰৱণ-কীৰ্তনক অধিক গুৰুত্ব প্ৰদান কৰিছে। শঙ্কৰদেৱৰ দৃষ্টিত মুক্তিতকৈ ভক্তি শ্ৰেষ্ঠত্বৰ।
- শঙ্কৰদেৱে নিত্য-নৈমিত্তিক কৰ্ম আৰু তীৰ্থভ্ৰমণ আদিত গুৰুত্ব দিয়া নাই।
- ভক্তিধৰ্মত মাধুৰ্য ভক্তি বা মধুৰ ভাবৰ স্থান মুঠেই নাই। ৰাধা আৰু কৃষ্ণৰ মাজত সপ্ৰেম ভক্তিৰ সম্বন্ধ দেখুওৱাৰ বাবেই চৈতন্যদেৱে মধুৰ ভাবৰ সহায় ল'লে। আনহাতে, মধুৰ ভাবৰ আধিক্যই ধৰ্মৰ ক্ষেত্ৰত অন্তৰায়ৰ সৃষ্টি কৰিব পাৰে বুলি ভাবি শঙ্কৰদেৱে তেওঁৰ ধৰ্মমাৰ্গৰ পৰা এই ভাব সম্পূৰ্ণভাৱে পৰিহাৰ কৰি সহজসাধ্য বাৎসল্য আৰু দাস্য ভাবৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছে।
- শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ভক্তিধৰ্মৰ মূল শাস্ত্ৰ হৈছে— *শ্ৰীমদ্ভাগৱদ গীতা*

আৰু *শ্ৰীমদ্ভাগৱত পুৰাণ*।

- শঙ্কৰদেৱে তেওঁৰ প্ৰৱৰ্তিত ভক্তিধৰ্মত যাগ্-যজ্ঞ, পূজা-পাতল, তপ-জপ, তপস্যা আৰু কষ্ট তথা ব্যয়সাধ্য ধৰ্মীয় কৃত্যত মুঠেই গুৰুত্ব দিয়া নাই।
- তেওঁ প্ৰৱৰ্তিত ভক্তিধৰ্মৰ জৰিয়তে সমাজত প্ৰেম-প্ৰীতি, দান-দক্ষিণা, অহিংসা আদি বিশ্বজনীন ভাবো প্ৰচাৰ কৰিছিল।
- একশৰণ নৱবৈষ্ণৱ ধৰ্মৰ মূল লক্ষ্য আছিল পদদলিত আৰু অৱহেলিত জনগণৰ সামাজিক আৰু আধ্যাত্মিক স্থিতিৰ উত্তোলন।
- ভক্তিৰ ক্ষেত্ৰত সৰ্বমানৱেই সমান— জাতি, ধৰ্ম, বৰ্ণ, ভাষা আদিৰ ক্ষেত্ৰত কোনো ভিন্নতা নাই। তেওঁৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ভক্তিধৰ্মৰ বিশেষত্বৰ বিষয়ে বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে— বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান দিয়া, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ, আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান।
- ভগৱান, জীৱ-জগতৰ মায়া-মুক্তিৰ বিষয়ে নৱবৈষ্ণৱ ধৰ্মত পোৱা যায়। ইয়াত পৰমব্ৰহ্ম কৃষ্ণ বিষ্ণুৰেই অন্যৰূপ। অন্যান্য দেৱ-দেৱী কৃষ্ণৰ অধীন। পৰম ব্ৰহ্মৰ স্বৰূপ দুটা— স্বগুণ আৰু নিৰ্গুণ। নৱবৈষ্ণৱ ধৰ্মত নিৰ্গুণ কৃষ্ণৰে বন্দনা কৰা হৈছে।
- নৱবৈষ্ণৱ ধৰ্মত ভক্তিৰ ওপৰত প্ৰাধান্য দিয়া হৈছে যদিও ভক্তি কেৱল ভগৱন্তৰে প্ৰাপ্য নহয়। ভক্ত আৰু গুৰুৰ দৰে ভক্তিও সমানে গুৰুত্বপূৰ্ণ।
- ধৰ্মৰ চাৰিবস্তুৰ ক্ষেত্ৰত মহাপুৰুষীয়া পৰম্পৰাই গুৰু, দেৱ, নাম, ভকত —এই চাৰি তত্ত্বই নৱবৈষ্ণৱ ধৰ্মৰ সাৰবস্তু। মাধৱদেৱে শঙ্কৰদেৱকে *নামঘোষাত* গুৰু বুলি কৈছে। ভক্তিধৰ্মত দেৱ বুলিলে একমাত্ৰ পৰম দেৱতা বিষ্ণু বা কৃষ্ণকে বুজায়। নাম হ'ল— ঈশ্বৰৰ নাম। কলিযুগত ৰামনামেই সাৰ, ৰাম নাম বিনে ভকতৰ গতি নাই আন বুলি *নামঘোষাত* পোৱা যায়। ইয়াত ভগৱন্তৰ নাম লোৱাৰ উপৰি ভগৱন্তৰ যশ-গুণ-লীলা বৰ্ণনাৰ কথাও কোৱা হৈছে।একশৰণ নাম ধৰ্মত বিষ্ণু-বৈষ্ণৱৰ কোনো প্ৰভেদ নাই। ভকতৰ স্থান ইয়াত অতি গুৰুত্বপূৰ্ণ। *গীতাতো* কৃষ্ণই কৈছে ভগৱন্ত ভকতৰ দাস, একান্ত বশ্য।
- নৱবৈষ্ণৱ ধৰ্মত মৃন্ময় মূৰ্তি নাই। পৱিত্ৰ গ্ৰন্থসমূহে এই আদৰ্শৰ মূল পথ। এই পৰম্পৰাত উপাসনা গৃহত *ভাগৱত* প্ৰতিষ্ঠা কৰা হয়। *ভাগৱতৰ* ক্ষুদ্ৰ সংস্কৰণ গুণমালা গুৰু আসনত স্থাপিত কৰা হয়। এইখনেই ভগৱানৰ বাঙ্ময় মূৰ্তি বুলি শঙ্কৰদেৱে বুজাই দি গৈছে।
- মানুহৰ বাবে একান্ত প্ৰয়োজনীয় দিশ হৈছে মানৱতাবাদ। নৱবৈষ্ণৱ ধৰ্মত মানৱীয় মূল্যবোধৰ সবলতা প্ৰকট কৰি তুলিছে— অহিংসা, বিনয়, সংযম, ভকতসেৱা, জাতিভেদ প্ৰথাহীন, সহৃদয়তা আদিৰ মাজেৰে। ইয়াৰ লগতে সামাজিক, সাংস্কৃতিক দিশটো অত্যন্ত গভীৰ কৰি তুলিছে নৱবৈষ্ণৱ ধৰ্মত। ধৰ্মীয় জাগৰণ আৰু সাহিত্যৰ

লগতে জনসাধাৰণৰ শৈল্পিক আদৰ্শক নতুন ৰূপত দাঙি ধৰিছে।

- নৱবৈষ্ণৱ ধৰ্মৰ আন এটা আদৰ্শ হ'ল— জনসাধাৰণক প্ৰদান কৰা আৰ্থিক সহায়। ব্যয়বহুল বিধি-বিধানৰ তথা ব্ৰাহ্মণ্যবাদৰ জাক-জমকতা, পূজা-পাতলৰ বিপৰীতে সৰ্বসাধাৰণক ভক্তিধৰ্মত আত্মনিয়োগ কৰাৰ পথ সুচল কৰি তুলিছে। শঙ্কৰদেৱে এই আদৰ্শ ৰক্ষাৰ বাবে নিজেও বাৰভূঞা ৰাজ্যৰ সুখ এৰি জনগণৰ হকে ওলাই আহিছিল। কৰ্মৰ বিভীষিকা নিবাৰণ মহাপুৰুষৰ আন এটি শ্ৰেষ্ঠ দান। সংসাৰত থাকিও সাধাৰণভাৱে জীৱন-যাপন কৰিও শ্ৰৱণ-কীৰ্তনৰ জৰিয়তে ধৰ্ম সাধনা কৰিব পাৰি।
- ভক্তিধৰ্মক কেন্দ্ৰ কৰি সমাজত এক নতুন শৃঙ্খলা আনিছিল। একমাত্ৰ নামঘৰে গাঁৱলীয়া জীৱনৰ বহুত পৰিৱৰ্তন সাধন কৰে। অসমীয়া জনজীৱনত নামঘৰৰ ভূমিকা অপৰিসীম।
- জাতিভেদ প্ৰথাহীনতা তাহানিৰ সমাজৰ এক অভিনৱ পৰিৱৰ্তন। নৱবৈষ্ণৱ ধৰ্মই চণ্ডালকো হৰি ভক্তিৰ সুবিধা দি মানৱতাৰ জয়গান ঘোষণা কৰিছে।
- নৱবৈষ্ণৱ ধৰ্মৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়বস্তু আছিল ভাষাৰ ক্ষেত্ৰত। সংস্কৃত ভাষাৰ জটিলতাৰ মাজত নব্য ভাৰতীয় ভাষাৰ সংমিশ্ৰণত ব্ৰজাৱলী ভাষাৰে সাহিত্য কৰ্মক এক নতুন গতি প্ৰদান কৰিছিল। অঙ্কীয়া নাটৰ জন্ম দি গদ্যৰ ধাৰা এটিও সূচনা কৰিছিল। প্ৰাক্-শঙ্কৰী যুগৰ কবি মাধৱ কন্দলিৰ ছন্দ ৰীতি আৰু শঙ্কৰদেৱৰ নতুন ভাব ছন্দই যে অসমীয়া ভাষাৰ অগ্ৰগতি সাধন কৰিছিল এই কথা স্বীকাৰ্য।

৯.৪.৩ নৱবৈষ্ণৱ ধৰ্মৰ সীমাবদ্ধতা

- নৱবৈষ্ণৱ ধৰ্মৰ ৰস প্ৰৱাহ তথা ভক্তিৰস যাতে বাধাপ্ৰাপ্ত নহয় তাৰ কাৰণে শঙ্কৰদেৱৰ লগতে তেওঁৰ সহযোগী আৰু পৰৱৰ্তী বৈষ্ণৱসকলেও যৎপৰোনাস্তি চেষ্টা কৰি গৈছে। ভক্তক ভক্তিৰসত আপ্লুত কৰা, নৃত্য-গীতৰ সঙ্গীতময় পৰিৱেশৰ যোগেদি অভিনয়ৰ নাট্যৰসৰ মাজেদি আৰু কাব্য আনন্দ বৰ্ণনাৰ সহায়ত ভক্তিৰ উদ্ৰেক কৰা আৰু প্ৰচাৰ বৈষ্ণৱ সাহিত্যৰ প্ৰধান উদ্দেশ্য।
- ভক্তি পৰিৱেশনৰ লগতে *কীৰ্ত্তনৰ* স্পষ্টতা ৰক্ষাত মনোনিবেশ কৰিছিল। শাস্ত্ৰৰ তাত্ত্বিক কথা প্ৰাঞ্জলকৈ ব্যাখ্যা কৰি আৰু নৈতিক আদৰ্শ দাঙি ধৰি জনসমাজক শিক্ষা দিয়া আৰু জনৰুচিৰ উন্নতি সাধনত গুৰুত্ব দিছিল।
- নৱবৈষ্ণৱ কবিয়ে ধৰ্ম, সাহিত্য, নাট আৰু গীতৰ যোগেদি জনৰুচিৰ উৎকৰ্ষ সাধন কৰা পৱিত্ৰ কৰ্তব্য বুলি ভাবিছিল আৰু সেই কাৰণেই ৰচনা আকৰ্ষণীয় কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল। সেইবাবে অসমীয়া গাঁৱলীয়া সমাজ অনাক্ষৰী হ'লেও অশিক্ষিত নহয়। তেওঁলোকৰ বহুতেই লেখা-পঢ়া নাজানিব পাৰে, কিন্তু শাস্ত্ৰজ্ঞান, নীতিজ্ঞান আদিৰ লগত পৰিচয় থকাৰ প্ৰমাণ পোৱা যায়। এইটো সম্ভৱ হৈছিল বৈষ্ণৱ সাহিত্যৰ শ্ৰৱণ-কীৰ্তনৰ ফলত। বৈষ্ণৱ ধৰ্মই জনসাধাৰণৰ কাহিনী শুনাৰ

অভিলাস বৃদ্ধি কৰিছিল।

- নৱবৈষ্ণৱ ধৰ্মৰ কবি-সাহিত্যিকসকলে শাস্ত্ৰসন্মত নোহোৱা বিষয়ক কম গুৰুত্ব দিছিল। কাব্য ৰচনা কৰোঁতে বিষয়বস্তু আহৰণ কৰোঁতে তেওঁলোকে *পুৰাণ, মহাভাৰত, ৰামায়ণ* আৰু সেই পৰ্যায়ৰ শাস্ত্ৰৰ বাহিৰ হৈ যোৱা নাছিল। স্বকল্পিত আখ্যান হ'লেও পৌৰাণিক আভিজাত্য দিবলৈ কোনো ঋষিৰ মুখনিঃসৃত কথা স্বৰূপে নাইবা কোনো অপৰিচিত পুৰাণৰ ঘটনা ৰূপে দেখুৱাবলৈ চেষ্টা কৰা গৈছিল। ক'ৰবাত পাঠক বা শ্ৰোতাৰ সন্দেহ হয় বুলি সততে মূললৈ বা মূল টীকাভাষ্যলৈ আঙুলিয়াই দিয়া দেখা যায়। কোনো কোনো ক্ষেত্ৰত বিষয়বস্তু সংগ্ৰহত নাইবা বিকাশত কবিসকলে অভিপ্ৰায় সিদ্ধাৰ্থে স্বেচ্ছাই ৰচনাৰ পৰিসৰ সীমিত কৰি ল'ব লগাত পৰিছিল।
- ৰসৰ ক্ষেত্ৰত হাস্য, কৰুণ, শৃঙ্গাৰ আদি ৰসৰ সমাবেশ ঘটালেও ভক্তি ৰসৰ প্ৰাধান্য যাতে ক্ষুণ্ণ নহয় তাৰ কাৰণে সততে দৃষ্টি ৰাখিব লগা হোৱাত বিভিন্ন ৰসৰ মুক্ত প্ৰবাহত স্থান বিশেষে বাধাপ্ৰাপ্ত হোৱা দেখা যায়। পাঠক শ্ৰোতাই শৃঙ্গাৰ আদি কাব্য ৰসত আপ্লুত হৈ ভক্তিলৈ পাহৰি যায় বুলি সঘনে শৃঙ্গাৰ, হাস্য আদি ৰসৰ মাজেৰে ভক্তিমূলক উপদেশ সন্নিৱেশ কৰা দেখা যায়।
- ধৰ্মটো প্ৰচাৰধৰ্মী আৰু আদৰ্শাত্মক হোৱাৰ কাৰণে জনসমাজত সুখ-দুখ, আশা-আকাঙ্খাৰ সম্যক প্ৰতিচ্ছবি ইয়াত পোৱা নাযায়। আধ্যাত্মিকতাৰ ফালে সততে দৃষ্টি ৰাখিব লগা হোৱাত মানৱ জীৱনৰ বাস্তৱ অভিজ্ঞতা ইয়াত ৰূপায়িত হোৱা নাই। প্ৰাকৃতজনৰ মনৰ পৰিচয়, সুখ-দুখৰ কাহিনী তাত নাই। তথাপি বৈষ্ণৱ কবিসকলে সমসাময়িক সমাজক বাদ দিব পৰা নাছিল, কাৰণ বাস্তৱ সমাজ আৰু জনজীৱনৰ লগত তেওঁলোক ঘনিষ্ঠভাৱে জড়িত।
- অনুবাদ পৰম্পৰা ৰক্ষা কৰিলেও নিজৰ মৌলিকত্ব আৰোপ কৰিছিল। কিন্তু অসমীয়া সমাজ জীৱনৰ পূৰ্ণাঙ্গ প্ৰতিচ্ছবি প্ৰতিফলন বিশেষভাৱে হোৱা নাছিল। কিছুমান কাব্যতহে অসমীয়া জনজীৱনৰ চিত্ৰ আংশিকভাৱে প্ৰতিফলিত হৈছিল।
- ভাষাৰ ক্ষেত্ৰত বৈষ্ণৱ সাহিত্য গতানুগতিকে আছিল। আখ্যানৰ নতুনত্বৰ বাহিৰে ভাষা, বৰ্ণনাৰীতিয়ে অভিনৱত্ব হেৰুৱাই পেলায়। নাৰী সৌন্দৰ্য্যৰ বৰ্ণনা, বন-উপবনৰ বৰ্ণনা, ৰাজধানী নগৰৰ বৰ্ণনা, বিৰহ-বিচ্ছেদৰ বৰ্ণনা সকলো কাব্যতে একে আছিল।

৯.৪.৪ নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত সাহিত্য কৰ্মৰ চমু পৰিচয়

নৱবৈষ্ণৱ ধৰ্মৰ সাহিত্য কৰ্মৰ প্ৰধান আদৰ্শ হ'ল শঙ্কৰদেৱৰ সাহিত্য কৰ্মসমূহ। শঙ্কৰদেৱৰ সাহিত্যিক জীৱন তিনিটা স্তৰত ভাগ কৰা হৈছে— প্ৰথম, বৰদোৱাত বাস কৰা কাল, দ্বিতীয় গাংমৌ, ধুৱাহাট, বেলগুৰি আদি উজনি অসমত বাস কৰা প্ৰায় কুৰিবছৰৰ অধিককাল আৰু শেষ নামনি পাটবাউসী আৰু কোচবেহাৰৰ কটোৱা কাল। প্ৰত্যেক

গ্ৰন্থৰ ৰচনা কালৰ সঠিক চন তাৰিখ আৰু ক্ৰম নিৰ্ণয় কৰা টান যদিও মোটামুটিভাৱে কোনখন আগবয়সৰ, কোনখন মাজবয়সৰ আৰু কোনখন শেষ বয়সৰ ৰচনা অনুমান কৰিব পাৰি। চৰিত পুথিৰ অন্তৰঙ্গ প্ৰমাণৰ দ্বাৰা স্থিৰ হৈছে যে *হৰিশ্চন্দ্ৰ* উপাখ্যানেই মহাপুৰুষৰ প্ৰথম ৰচনা আৰু *ৰামবিজয়* নাট শেষ ৰচনা। ইতিমধ্যে এই ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰ অন্তৰ্গত পঞ্চম অধ্যায়ত শঙ্কৰদেৱৰ সাহিত্য কৃতিসমূহৰ আলোচনা হৈ গৈছে। গতিকে এই অধ্যায়টোত সেই বিষয়ে সংক্ষেপ উল্লেখ কৰা হ'ল। শঙ্কৰদেৱৰ সাহিত্য কৰ্মৰ চমু নিদৰ্শন এনে ধৰণৰ—

ক) **কাব্য ঃ** *হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, বলিছলন, অমৃত মন্থন, অজামিল উপাখ্যান* আৰু *কুৰুক্ষেত্ৰ*।

খ) **ভক্তিতত্ত্ব প্ৰকাশক সংগ্ৰহ ঃ** *ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, নিমি নৱসিদ্ধ সংবাদ, অনাদিপাতন*।

গ) **অনুবাদমূলক ঃ** *ভাগৱত* ১ম, ২য়, ৬ষ্ঠ (*অজামিল উপাখ্যান, বলিছলন, অমৃত মন্থন*), ১০ম, ১১শ, ১২শ স্কন্ধ আৰু *উত্তৰাকাণ্ড ৰামায়ণ*।

ঘ) **অঙ্কীয়া নাট ঃ** *পত্নী প্ৰসাদ, কালিয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰামবিজয়*।

ঙ) **গীত ঃ** ৰৱগীত, ভটিমা, টোটয় আৰু চপয়।

চ) **নাম প্ৰসঙ্গ ঃ** *কীৰ্ত্তন* আৰু *গুণমালা*।

শঙ্কৰদেৱৰ ৰচনাৱলীৰ মাজেদি ভাৰতীয় দাৰ্শনিকতা আৰু আদৰ্শবাদেই প্ৰধানকৈ প্ৰকাশ পাইছে। কৰ্মফলবাদ, জন্মান্তৰবাদ, জীৱনৰ প্ৰতি অনাসক্তি আৰু ভক্তিমূলক অদ্বৈতবাদ, অৱতাৰবাদ আৰু ভক্তিবাদ সহজ ৰূপত প্ৰকাশ পাইছে। বিভিন্ন বাদৰ মাজেদি সংগতি স্থাপন কৰি ক্ষণভঙ্গুৰ জীৱন কেনেকৈ সাৰ্থক কৰিব পৰা যায় তাৰ পথ ৰচনাৱলীয়ে নিৰ্দেশ কৰিছে। সংসাৰ ধৰ্ম পালন কৰি, নিৰাসক্ত হৈ সাংসাৰিক কৰ্ম কৰিবলৈ আহ্বি দেখুওৱা হৈছে।

- শঙ্কৰদেৱৰ পিছতে নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈ মাধৱদেৱে অন্যতম সাহিত্য সৃষ্টি কৰে। শঙ্কৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে একাধাৰে ধৰ্মপ্ৰচাৰক, শাস্ত্ৰবেত্তা, ভক্তকবি, নাট্যকাৰ আৰু সুগায়ক আছিল। মাধৱদেৱে *ৰামায়ণৰ আদিকাণ্ড* ভাঙনি কৰে আৰু ৰৱগীত ৰচনা কৰে। শঙ্কৰদেৱে নিজৰ দৰে মাধৱদেৱকো সাহিত্যকৰ্মত নিয়োজিত কৰায়। অকল মাধৱদেৱেই নহয়, পৰৱৰ্তী কালৰ বৈষ্ণৱ কবিসকলেও তেওঁৰ পথ অনুসৰণ কৰিছিল। শঙ্কৰদেৱৰ আদেশক্ৰমে শুক্লধ্বজৰ উৎসাহ পাই *ৰাজসূয় কাব্য* আৰু *জন্মৰহস্য* ৰচনা কৰে। কোচবিহাৰৰ ভেলাদোঙাত *নামঘোষা* সম্পূৰ্ণ কৰে। *নাম মালিকা* গ্ৰন্থৰ অনুবাদ কৰে আৰু *ভক্তি ৰত্নাৱলী* অসমীয়া পদলৈ ৰূপান্তৰিত কৰে। *চোৰধৰা, পিম্পৰা গুচোৱা, ভোজনবিহাৰ, ভূমি লেটোৱা নাট, দধিমন্থন* বা *অৰ্জুন ভঞ্জন* শঙ্কৰদেৱৰ জীৱিতকালতে মাধৱদেৱে ৰচনা কৰে। *চৰিত পুথি*

মতে তেওঁ *নৃসিংহ যাত্ৰা, গোবৰ্দ্ধন যাত্ৰা* আৰু *ৰামযাত্ৰা* নামে তিনিখন নাট ৰচনা কৰি অভিনয় কৰি দেখুৱাইছিল। এইবোৰৰ উপৰি *ৰাস ঝুমুৰা, কেটোৰা খেল, ব্ৰহ্মামোহন, ভূষণ হৰণ* —এই চাৰিখন গ্ৰন্থতো মাধৱদেৱৰ ভণিতা পোৱা যায়। তেওঁ লিখা ৰৱগীতসমূহ ভক্তপ্ৰাণৰ মৰ্মস্পৰ্শী প্ৰকাশ। দাস্য আৰু বাৎসল্য এই দুই ভাবেৰে তেওঁৰ ৰৱগীত সিক্ত। বাণীকান্ত কাকতিৰ মতে শঙ্কৰদেৱ ৰচিত যিবোৰ গীত এতিয়াও আছে সেই আটাইবোৰ প্ৰাৰ্থনাসূচক, মানৱজীৱন দুস্প্ৰাপ্য অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়। হৰিভক্তি মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱতৰা —এয়ে নানা ভাব আৰু ভাষাত শঙ্কৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য। মাধৱদেৱৰ কেতবোৰ গীত এই ভাবৰ পুনৰুক্তি আছে, কিন্তু বেছিভাগ গীততেই শিশুকৃষ্ণৰ বাল্য জীৱনৰ ৰং-বিৰঙৰ চিত্ৰ ফুটি ওলাইছে। বাৎসল্য প্ৰেমে মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব।

- মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱৰ পিছতে অনন্ত কন্দলিৰ নাম আহি পৰে। অনন্ত কন্দলিয়ে সম্ভৱতঃ মহাপুৰুষজনাক কামৰূপত লগ পায়। তেওঁৰ সংস্পৰ্শত কন্দলিৰ ভক্তিভাব গাঢ় হয় আৰু মহাপুৰুষৰ অনুপ্ৰেৰণা আৰু উপদেশ লাভ কৰি বৈষ্ণৱ মত প্ৰচাৰত আত্মনিয়োগ কৰে। তেওঁৰ উপদেশ মতেই দশম স্কন্ধৰ মধ্য আৰু শেষছোৱা অসমীয়া পদলৈ ভাঙনি কৰে। তেওঁৰ ৰচনাৱলীৰ ভিতৰত *ৰামায়ণ, কুমৰ হৰণ কাব্য, ভাগৱত*, ষষ্ঠ স্কন্ধৰ *বৃত্তাসুৰ বধ, মধ্য আৰু শেষ দশম, মহীৰাৱন বধ*কাব্য আৰু *সীতাৰ পাতাল প্ৰৱেশ*নাট। অনন্ত কন্দলিৰ নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ অক্ষয় কীৰ্তি হ'ল— *মধ্য দশম* আৰু *শেষ দশম*ৰ মূল *ভাগৱতৰ* ৫০তম অধ্যায়ৰ পৰা ৮১তম অধ্যায়ৰ বিৱৰণলৈকে, আকৌ বাকী ৯টা অধ্যায়ক *শেষ দশম* বোলা হয়। *ভাগৱতৰ* এই ছোৱা অনুবাদত কন্দলি মহাপুৰুষৰ ৰচনাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছে।
- প্ৰাচীন অসমীয়া কবিসকলৰ ভিতৰত ৰাম সৰস্বতীয়ে সকলোতকৈ সৰহ সংখ্যক পদ ৰচনা কৰি গৈছে। তেওঁ ৰচনা কৰা পদৰ সংখ্যা মহাপুৰুষ শঙ্কৰদেৱতকৈ অধিক। ৰচনাৰ ব্যাপকতা আৰু বৰ্ণনীয় কথাবস্তুলৈ দৃষ্টি ৰাখি ৰাম সৰস্বতীক অসমীয়া ব্যাস আখ্যা দিব পাৰি। তেওঁৰ ৰচনাৰ বিশেষত্ব এয়ে যে তেওঁ বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ পৰা কোনো ঠাইতে পিছলি যোৱা নাই। কৃষ্ণ বিষ্ণুৰ শ্ৰেষ্ঠত্ব আৰু ভক্তিৰ মহিমা য'তে সুবিধা আৰু সুৰুঙা পাইছে তাতে প্ৰকাশ কৰাইছে। তেওঁৰ ৰচনা ৰাজিক দুই ভাগত ভাগ কৰিব পাৰি। এটা হ'ল— *মহাভাৰতৰ* পৰ্বসমূহৰ অনুবাদ আৰু মূল *মহাভাৰতত* থকা আখ্যানৰ অসমীয়া ৰূপান্তৰ। আনটো হ'ল— *হংস কাকী, যামল সংহিতা, শিৱ ৰহস্য* আদিৰ পৰা সংগ্ৰহ কৰা বুলি কৈফিয়ৎ থকা পাণ্ডৱ কৌৰৱ সম্পৰ্কীয় আখ্যানসমূহ।
- ৰাম সৰস্বতীৰ ৰচনাই জনসাধাৰণৰ চিত্তবিনোদন কৰি সহজভাৱে ধৰ্মৰ আদৰ্শ দাঙি ধৰি বিশেষ অৱদান আগবঢ়াইছে। অসমৰ নিৰক্ষৰী আৰু স্বল্পাক্ষৰী জনসাধাৰণক

সাহিত্যপ্ৰেমী পাঠক নাইবা শ্ৰোতা ৰূপে গঢ়ি তোলাত বধকাব্যসমূহৰ অৱিহণা অতুলনীয়।

- শঙ্কৰদেৱৰ প্ৰায় সমসাময়িক কবিসকলৰ ভিতৰত কংসাৰি কবি উল্লেখযোগ্য। মাধৱদেৱৰ সঙ্গত থাকি তেওঁ *বিৰাট পৰ্ব* ৰচনা কৰিছিল। এওঁ পীতাম্বৰ কায়স্থ নামেও পৰিচিত। কংসাৰিয়ে *কিৰাত পৰ্ব* আৰু *বিৰাট পৰ্ব্ব দক্ষিণ গো গ্ৰাহ্ব* কিছু অংশ আৰু *উত্তৰ গো গ্ৰাহ* ৰচনা কৰে। *বিৰাট* আৰু *কিৰাত* এই দুয়োটা পৰ্বতে কাংসাৰিয়ে এজন প্ৰতিষ্ঠাশীল কবি হিচাপে চিনাকি দিবলৈ সক্ষম হৈছে।
- **ৰত্নাকৰ কন্দলি ঃ** দৈত্যাৰী ঠাকুৰৰ শঙ্কৰ মাধৱৰ চৰিতত পোৱা যায় যে মহাপুৰুষে ধুৱাহাট বেলগুৰিত থাকোতে ৰত্নাকৰ কন্দলি নামে এজন পণ্ডিতে নিতৌ গীতা পাঠ কৰিছিল। সম্ভৱতঃ এই ৰত্নাকৰ কন্দলিয়েই *কীৰ্ত্তনৰ* অন্তৰ্ভুক্ত হোৱা *সহস্ৰনাম বৃত্তান্তৰ* ৰচক। ৰত্নাকৰ কন্দলিয়েই সম্ভৱত *স্কন্ধ পুৰাণৰ* অনুবাদ *ব্ৰহ্মগীতা* আৰু *গীতা কীৰ্ত্তনৰো* গ্ৰন্থকাৰ।
- **সাৰ্বভৌম ভট্টাচাৰ্য্য ঃ** এইজন কবিৰ *ক্ষুদ্ৰ স্বৰ্গখণ্ড, বৃহৎ স্বৰ্গখণ্ড* নামৰ দুখন সৰু পুথি পোৱা যায়। কবিয়ে *পদ্ম পুৰাণৰ স্বৰ্গখণ্ডৰ* সাৰাংশ বুলি উক্ত পুথি দুখন প্ৰচাৰ কৰে। সাৰ্বভৌমৰ নিজা বিবৃতি মতে তেওঁ পাণ্ডিত্যৰ গৰ্বত ওফন্দি মহাপুৰুষৰ লগত তৰ্ক কৰিবলৈ আহে আৰু পৰাজয় হৈ কাশীত পঢ়িবলৈ যায়। তাতে হৰি নামৰ মাহাত্ম্য বুজি উভতি আহি শঙ্কৰত শৰণ লয়।
- শ্ৰীধৰ কন্দলি মহাপুৰুষৰ সমসাময়িক হ'লেও বেছি পিছৰ নহয়। শ্ৰীধৰ কন্দলিৰ দুখন প্ৰসিদ্ধ গ্ৰন্থৰ গ্ৰন্থকাৰ, এখন *কাণখোৱা* আৰু আনখন *ঘুনুচা কীৰ্ত্তন*। নিচুকনি গীতৰ আৰ্হিত বিষ্ণু অৱতাৰৰ লীলা মাহাত্ম্য সৰস, প্ৰাঞ্জল আৰু অভিনৱ ৰূপত কবিয়ে *কাণখোৱাত* প্ৰকাশ কৰিছে। কৃষ্ণ ইন্দ্ৰদ্যুম্নৰ কন্যা ঘুনুচাৰ ঘৰলৈ যাত্ৰা আৰু সেই কথাত ৰুক্মিণীৰ ঈৰ্ষা আৰু কৃষ্ণৰ ওপৰত খং অভিমান —এইবোৰ কথা আমোদজনকভাৱে *ঘুনুচা কীৰ্ত্তনত* বৰ্ণনা কৰিছে। সৰল প্ৰকাশভঙ্গী আৰু লঘু হাস্যৰস এওঁৰ ৰচনাৰ বৈশিষ্ট্য।
- নৱবৈষ্ণৱ যুগৰ বৈষ্ণৱ কবিসকলে পৌৰাণিক ভক্তিৰস পান কৰি নিজে আত্মহাৰা হৈছিল আৰু তেনেকৈ আনকো সেই ৰসৰ অমৃত পান কৰিবলৈ নানা কাব্য, নাট, গীত আদি ৰচনা কৰিছিল। ভক্ত সমাজ আৰু ভক্তিৰ পৰিৱেশ সৃষ্টি কৰাই বৈষ্ণৱ কবিৰ অন্যতম আদৰ্শ আৰু বৈষ্ণৱ সাহিত্যৰ উদ্দেশ্য। সাহিত্যসমূহ যাতে সৰ্বজন বোধগম্য হয় তালৈ লক্ষ্য ৰাখি কাব্য ৰচনাত তেওঁলোকে কল্পনাক সংযত কৰিব লগাত পৰিছিল। কাব্যৰ বিষয়বস্তু সংগ্ৰহত তেওঁলোক সচেতন আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নৱবৈষ্ণৱ ধৰ্ম কাক বোলে ? ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ২ ঃ নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিৰ ওপৰত এটি চমু প্ৰবন্ধ যুগুত কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৩ ঃ নৱবৈষ্ণৱ ধৰ্মৰ সীমাবদ্ধতা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৪ ঃ নৱবৈষ্ণৱ যুগৰ সাহিত্যিক শঙ্কৰদেৱৰ সাহিত্য কৃতি বিষয়ে চমুকৈ উল্লেখ কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৫ ঃ নৱবৈষ্ণৱ যুগৰ আন আন সাহিত্যিকসকলৰ সাহিত্য কৃতিৰ চমু পৰিচয় দাঙি ধৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৬ ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ বিষয়ে চমুকৈ লিখক। (২৫০টা শব্দৰ ভিতৰত লিখক)



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৱবৈষ্ণৱ ধৰ্মৰ ক্ষেত্ৰত সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ আভাস লাভ কৰিলোঁ।
- অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ পৰিচয় লাভ কৰাৰ লগতে দক্ষিণ ভাৰতৰ ভক্তি আন্দোলনৰ দ্বাৰা প্ৰভাৱিত হৈ শঙ্কৰদেৱে অসমত এক নতুন দৃষ্টিৰে প্ৰচাৰ কৰিলে সেই বিষয়েও ধাৰণা লাভ কৰিলে।
- সেই সময়ত শঙ্কৰদেৱেপ্ৰচাৰ কৰা নৱবৈষ্ণৱ ধৰ্মই অসমত সুদূৰপ্ৰসাৰী পৰিৱৰ্তন সাধন কৰিছিল। কোচ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত নৱবৈষ্ণৱ ধৰ্মই কি গতিশীল ৰূপ লাভ কৰিছিল সেই সম্পৰ্কে ধাৰণা লাভ কৰিলোঁ।
- নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিত সৃষ্টি হোৱা গীত, নাট, বাদ্য, সাহিত্য, ভাওনা আদিয়ে জন-জীৱনত কেনেদৰে প্ৰভাৱ পেলাইছিল সেই বিষয়ে জ্ঞাত হ'লোঁ।
- শঙ্কৰদেৱে গঢ় দিয়া নৱবৈষ্ণৱ ধৰ্মৰ বহু দেৱতাৰ বিপৰীতে এজনেই যে শ্ৰেষ্ঠ উপাস্য দেৱতা সেই বিষয়ে জানিব পাৰিলে। ইয়াৰ লগতে ইয়াত কোনো মূৰ্তি পূজা নাই, যাগ-যজ্ঞ, পূজা-পাতল নাই আৰু জাতিভেদৰ কোনো ভেদ ভাব নাই, সম্পূৰ্ণ ৰূপে যে মানৱতাবাদৰ ওপৰত এই ধৰ্ম প্ৰতিষ্ঠিত এই কথা জানিব পাৰিলে।
- এই নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিত সৃষ্টি হোৱা সাহিত্য, নাটসমূহৰ ৰস যে ভক্তিৰস সেই কথা জানিব পাৰিলে।
- নৱবৈষ্ণৱ ধৰ্মৰ সাহিত্য আৰু অন্যান্য বিষয়সমূহত সততে ভক্তিৰসৰ প্ৰতি বিশেষ

মনোযোগ দিছিল। বিভিন্ন কলা-সংস্কৃতি-সাহিত্যসমূহৰ যোগেদি ভক্তি ভাব প্ৰকাশত যাতে বাধাপ্ৰাপ্ত নহয় তালৈ দৃষ্টি ৰাখিছিল।

- নৱবৈষ্ণৱ যুগৰ সাহিত্যিকসকলৰ পৰিচয়ৰ লগতে তেওঁলোকৰ সাহিত্য সম্পৰ্কীয় বিভিন্ন কথা জানিব পাৰিলে। বিভিন্ন শাস্ত্ৰ-কাব্যৰ কথাবোৰ এওঁলোকে সৰ্বজন বোধগম্য কৰি তুলিছিল। সহজ সৰল প্ৰকাশৰ মাজেৰে বিভিন্ন ৰস সৃষ্টি কৰি কৃষ্ণভক্তিত মন নিমজ্জিত কৰিবলৈ চেষ্টা কৰা যে এওঁলোকৰ সাহিত্য কৰ্মৰ অন্যতম বৈশিষ্ট্য এই কথা জানিলে।
- প্ৰাক্-শঙ্কৰী যুগৰ আদৰ্শৰে নৱবৈষ্ণৱ যুগৰ কবি-সাহিত্যিকসকলে অনুবাদ কৰিছিল আৰু বিভিন্ন ছন্দ সজ্জাৰ ব্যৱহাৰ কৰিছিল সেই কথাও এই অধ্যায়টোৰ আলোচনাৰ মাজেদি জানিব পাৰিলে।



৯.৬ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৭); *বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা*; গুৱাহাটী ঃ বৰুৱা এজেন্সি।

২) গোহাঁই, হীৰেন (১৯৯০); *অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা*; গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

৩) দত্ত, অনিমা (১৯৯৫); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন*; গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

৪) দেৱগোস্বামী, কেশৱানন্দ (২০০১); *ভাৰতীয় পটভূমিত শঙ্কৰী সাহিত্য আৰু সত্ৰীয়া সঙ্গীত*; গুৱাহাটী ঃ বনলতা।

৫) নেওগ, ডিম্বেশ্বৰ (৫৪৮ শঙ্কৰাব্দ); *যুগনায়ক শঙ্কৰদেৱ*; গুৱনি প্ৰকাশ।

৬) নেওগ মহেশ্বৰ (১৯৮৭); *শ্ৰীশ্ৰী শঙ্কৰদেৱ*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) বেজবৰুৱা, লক্ষ্মীনাথ (২০০৩); *শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ*; গুৱাহাটী ঃ বাণী মন্দিৰ।

৮) শৰ্মা, কুসুমচন্দ্ৰ (২০০৪); *বৈষ্ণৱ ভক্তিবাদ ঃ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা*; নলবাৰী ঃ প্ৰকাশিকা ঃ হৈমন্তিকা।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ; *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০) শৰ্মাদলৈ, হৰিনাথ (১৯৮৬); *শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা*; বৰপেটা ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।



৯.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ নৱবৈষ্ণৱ ধৰ্ম কোনে, কেনেদৰে প্ৰচাৰ কৰিছে সেই সম্পৰ্কে লিখি বৈশিষ্ট্য-সমূহ উল্লেখ কৰিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ নৱবৈষ্ণৱ ধৰ্মৰ পটভূমি আলোচনা কৰিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ নৱবৈষ্ণৱ ধৰ্মৰ সীমাবদ্ধতা সম্পৰ্কে গুৰুত্ব দিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ শঙ্কৰদেৱৰ ৰচনাৰাজি আলোচনা কৰিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ শঙ্কৰদেৱৰ বাহিৰে আন আন নৱবৈষ্ণৱ যুগৰ সাহিত্যিকসকলৰ ৰচনাৰাজি আলোচনা কৰিব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ বিষয়ে চমুকৈ লিখিব লাগিব।



৯.৮ আহিঁ প্ৰশ্ন

প্ৰশ্ন ১ ঃ নৱবৈষ্ণৱ ধৰ্মটো কি আদৰ্শৰ ভিত্তিত গঢ় লৈ উঠিছে? এই ধৰ্মৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ নৱবৈষ্ণৱ ধৰ্মৰ পটভূমি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ নৱবৈষ্ণৱ ধৰ্মৰ সীমাবদ্ধতাসমূহে এই ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত কিবা বাধা প্ৰদান কৰিছেনে?

প্ৰশ্ন ৪ ঃ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শঙ্কৰদেৱৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ নৱবৈষ্ণৱ যুগত আন কোন কোন কবি-সাহিত্যিকে বৈষ্ণৱ সাহিত্যৰ চৰ্চাত আত্মনিয়োগ কৰিছিল?

প্ৰশ্ন ৬ ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ বিষয়ে এটি সামগ্ৰিক আলোচনা আগবঢ়াওক।

*** ***** ***